## ❑ চতুৰ্দ্দশ লুই (LOUIS XIV, 1661-1715) ঃ

ত্ৰয়োদশ লুইৰ মৃত্যুৰ পিছত ১৬৪৩ খ্ৰীঃত তেওঁৰ পুত্ৰই চতুৰ্দ্দশ লুই নাম লৈ ফৰাছী সিংহাসনত উঠে। ৰজা পাঁচ বছৰীয়া নাবালক হেতু তেওঁৰ মাতৃ এনে (Anne) ৰজাৰ প্ৰতিনিধি হৈ (Regent) দেশ শাসন কৰে। প্ৰধানমন্ত্ৰী মেজাৰিণে সকলো দিশ চোৱা চিতা কৰি দেশৰ শান্তি শৃংখলা অটুট ৰাখিছিল। ১৬৬১ খ্ৰীঃত মেজাৰিণৰ মৃত্যুৰ পিছত লুইয়ে দেশৰ সকলো দায়িত্ব নিজ হাতলৈ নিয়ে। ১৬৬১খ্ৰীঃৰ পৰা ১৭১৫ খ্ৰীঃলৈ— এই সুদীৰ্ঘ শাসনকালত লুইয়ে ফ্ৰান্সক ইউৰোপৰ অন্যতম শ্ৰেষ্ঠ শক্তিৰূপে প্ৰতিষ্ঠা কৰে। তেওঁৰ আকৰ্ষণীয় ব্যক্তিত্ব, কৰ্ম-নিপুণতা, কূটনৈতিক বিচক্ষণতা, উচ্চাকাংখা, সাহিত্য, সংস্কৃতিৰ পৃষ্ঠপোষকতা, ন্যায়নিষ্ঠতা, ফৰাছী আৰু ইউৰোপীয়

Scanned with CamScanner

ৰাজনীতিত তেওঁ দেখুৱা ব্যুৎপত্তিতা আদিৰ বাবে মোটামুটি হিচাপে ১৭ শতিকাৰ দ্বিতীয়াৰ্দ্ধক চতুৰ্দ্দশ লুইৰ যুগ বুলি কোৱা হয়। এই সময়ছোৱাত ফৰাছী ৰজাৰ ক্ষমতা বৃদ্ধি হয়, আভ্যন্তৰীণ শৃংখলা বাঢ়ে, কেইবাখনো আন্তৰাষ্ট্ৰীয় যুদ্ধত ফ্ৰান্স জয়যুক্ত হয়। মহাপ্ৰতাপী এইজন ফৰাছী সম্ৰাট চতুৰ্দ্দশ লুইক মহান সম্ৰাট (Grand Monarch), ফৰাছী ভাষাত La Grand Monarque বোলা হৈছিল।

চতুৰ্দ্দশ লুইৰ যুগৰ অতি গুৰুত্বপূৰ্ণ ঘটনাটো হ'ল সম্পূৰ্ণ ৰাজতন্ত্ৰৰ ভেটিৰ সুদৃঢ়কৰণ। ৰাজতন্ত্ৰৰ ওপৰত অধিক পবিত্ৰতা আৰোপ কৰা হ'ল। সিংহাসন আৰোহণৰ সময়ত খ্ৰীষ্ট ধৰ্মৰ পুৰোহিতে বিশেষ ব্যৱস্থাৰে তেওঁক পবিত্ৰ কৰি লৈছিল আৰু সেয়ে ৰজাৰ বিৰুদ্ধে যোৱাটো ধৰ্ম বিৰোধী বুলি ভৰা ধাৰণা সুদৃঢ় কৰি লোৱা হৈছিল। দ্বিতীয়তে ৰজা প্ৰজাৰ পিতৃৰূপে গণ্য হ'বলৈ ল'লে আৰু পিতাই পুতেকক সকলতে ভৰণপোষণ কৰাৰ দৰে ৰজাই প্ৰজাৰ মঙ্গলৰ বাবে শাসন ব্যৱস্থা গ্ৰহণ কৰে। তৃতীয়তে, ৰজাৰ ক্ষমতা সম্পূৰ্ণ, বিকেন্দ্ৰীকৃত নহয় আৰু স্বেচ্ছাচাৰী। তেওঁৰ কামকাজৰ বাবে ভগৱানৰ ওচৰতহে জবাবদিহি, প্ৰজাৰ ওচৰত নহয়। তেওঁ বেয়াকৈ শাসন কৰিলে সদ্‌গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাব লাগে। ৰজাক ভগৱান প্ৰেৰিত দূত বুলি মানি লোৱা হ'ল। এইদৰে ৰজাৰ ঐশ্বৰিক স্বত্বৰ সূত্ৰটোৰ সম্পূৰ্ণ প্ৰয়োগ হ'ল। লুইয়ে সগৌৰৱে ক'ব পৰা হ'ল 'মইয়েই ৰাষ্ট্ৰ— I am the State.' ফ্ৰান্সৰ দৰে ইউৰোপৰ অন্যান্য ৰাষ্ট্ৰতো সম্পূৰ্ণ ৰাজতন্ত্ৰৰ উত্থান ঘটিল। ১৭৮৯খ্ৰীঃৰ ফৰাছী বিপ্লৱেহে ফ্ৰান্সত সম্পূৰ্ণ ৰাজতন্ত্ৰৰ অৱসান ঘটাইছিল।

চতুৰ্দ্দশ লুইৰ যুগৰ আন এক উল্লেখনীয় দিশ হ'ল— এটি সুসংগঠিত কেন্দ্ৰীয় চৰকাৰ আৰু শাসন প্ৰণালীৰ উদ্বোধন। ৰিছেলিও বা মেজাৰিণৰ দৰে লোকৰ ওপৰত সকলো ক্ষমতা এৰি নিদি তেওঁ নিজস্বভাৱে নিযুক্তি দি, তেওঁৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণত কেইবাজনো মন্ত্ৰীক দায়িত্ব ভাগ কৰি দিছিল আৰু শাসন চলাইছিল। এই মন্ত্ৰীসকল ৰজাৰ ভৃত্য হে, গৰাকী নাছিল। ৰজাই শাসন নীতি নিজেই নিৰ্দ্ধাৰণ কৰিছিল। মন্ত্ৰীসকলে তেওঁৰ ইচ্ছাক মাত্ৰ কাৰ্যকৰী কৰিছিল। মন্ত্ৰীসকলে সহকাৰী সচিব বা কৰ্মচাৰীৰ যোগে ৰাজধানী আৰু প্ৰদেশ বিলাকত, ইণ্টেনডেণ্ট, গৱৰ্ণৰ, সংসদ আৰু অন্যান্য কৰ্মচাৰীৰ যোগে শাসন চলাইছিল। কিন্তু তেওঁলোকে ৰজাৰ নিৰ্দেশমতেহে কাৰ্য সম্পাদন কৰিব লাগিছিল। ৰজালৈ নিয়মীয়াকৈ প্ৰতিবেদন পঠাব লগা হৈছিল আৰু তেওঁৰ অনুমোদন নোহোৱাকৈ ৰাজকাৰ্য সম্পাদন কৰিব নোৱাৰিছিল। স্থানীয় বিষয়ববীয়া ইণ্টেনডেণ্টেই হওক বা গৱৰ্ণৰেই হওক ৰজাই নিযুক্তি দিছিল। মন্ত্ৰীৰ যোগেদি ৰজাই তেওঁলোকক নিয়ন্ত্ৰণ কৰিছিল। লুইৰ ক্ষমতা কেন্দ্ৰীভূত কৰণৰ অৰ্থ হ'ল অভিজাতসকলৰ দায়িত্ব কাঢ়ি লৈ তেওঁলোকক এটা অদৰকাৰী শ্ৰেণীলৈ পৰ্যবসিত কৰা। ৰাজনৈতিক দায়িত্বৰহিত হৈ বহুতো অভিজাত লোকে কৃষক সকলৰ



পৰাও বিচ্ছিন্ন হৈ পৰিছিল। তেওঁলোকে আজৰি সময় লাহ বিলাসত কটাইছিল। তেওঁলোকৰ বহুতেই আকৌ উত্তৰাধিকাৰী সূত্ৰে পোৱা ভূমি এৰি ৰাজধানী চহৰৰ জাকজমকতাৰ মাজত থাকিবলৈ লৈছিল। লুইয়ে অৱশ্যে তেওঁলোকৰ পৰা কৰ-কাটল সংগ্ৰহত জোৰ দিয়া নাছিল, ক্ষমতা কাঢ়ি লৈয়েই সন্তুষ্ট হৈছিল। কৰৰ বোজা কৃষক আৰু মধ্যবিত্ত শ্ৰেণীৰ ওপৰতে জাপি দিছিল।

চতুৰ্দ্দশ লুইয়ে এইদৰে স্বৈৰতন্ত্ৰী শাসন চলায়। ইয়াৰ প্ৰমাণ তেওঁৰ কামকাজত প্ৰকাশ পায়। তেওঁ তেওঁৰ প্ৰশাসনিক ব্যৱস্থাটোক অৰ্দ্ধ-সামন্তবাদীৰ পৰা কেন্দ্ৰীভূত সম্পূৰ্ণ ৰাজতন্ত্ৰলৈ ৰূপান্তৰিত কৰিছিল। দিনে দিনে তেওঁ প্ৰশাসনীয় কাম কাজৰ পৰ্যালোচনা কৰিছিল। লুইৰ কেন্দ্ৰীভূত শাসনতন্ত্ৰ ইউৰোপৰ আন শাসকৰ বাবে আৰ্হি হিচাপে বিবেচিত হৈছিল। ই তেওঁৰ কঠোৰ শ্ৰম আৰু নেৰানেপেৰা চেষ্টাৰ ফলশ্ৰুতি।

লুইয়ে পৃথিৱীত ঈশ্বৰৰ সুযোগ্য প্ৰতিনিধি হিচাপে নিজকে যাউতিযুগীয়া কৰিবলৈ পেৰিচৰ ১২ মাইল আঁতৰৰ ভাৰ্চাই নগৰত এটি সুবিশাল মনোমোহা ৰাজ অট্টালিকা নিৰ্মাণ কৰে। বিখ্যাত হ'ল অব্ মিৰৰ (Hal of Mirror আইনা ঘৰৰ ) সৈতে এই অট্টালিকা ফ্ৰান্সৰেই নহয় সমগ্ৰ ইউৰোপৰ আচৰ্যৰ সম্পদ আছিল। ভাৰ্চাই নগৰৰ ভাস্কৰ্য, স্থাপত্য, আচবাব, উদ্যান, ফোৰৰা আদিৰে অতি মনোমোহা কৰি তোলা হৈছিল। এই নগৰ ফৰাছী জাতিলৈ চতুৰ্দ্দশ লুইৰ চমকপ্ৰদ অৱদান। ইয়াৰ ৰাজ-দৰবাৰ অতি আড়ম্বৰপূৰ্ণ আছিল। ইয়াতে অভিজাতসকলে সম্ৰাটৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰিব লাগিছিল। ভাৰ্চাই নগৰে লুইৰ উত্তৰাধিকাৰীৰ দিনতো গুৰুত্ব লাভ কৰিছিল। সম্ৰাটে তেওঁৰ স্বৈৰতন্ত্ৰৰ শিল্পীসুলভ আৱৰণেৰে, শৃংখলা, কাৰ্যদক্ষতা আৰু ফ্ৰান্সৰ গৌৰৱ বৃদ্ধিৰে মহীয়ান কৰি তুলিব বিচাৰিছিল। এই ক্ষেত্ৰত তেওঁ কৃতকাৰ্যও হৈছিল। কাৰণ প্ৰজাবৰ্গই বিনা বাক্য ব্যয়ে তেওঁৰ স্বেচ্ছাচাৰি শাসন মানি লৈছিল। ফ্ৰান্সৰ বৌদ্ধিক সমাজ আৰু ধৰ্মীয় নেতৃত্বৰ প্ৰতিনিধি স্বৰূপ বিছপ বছুয়ে (Bossuet) লুইক সমৰ্থন কৰি প্ৰকাশ কৰিছিল যে ৰজা ভগৱান প্ৰেৰিত আৰু তেওঁ প্ৰজাক শাসন কৰাটো ঐশ্বৰিক স্বত্ব (Divine Right of Kingship)। ৰজাৰ শক্তি সীমাহীন। ভগৱানৰ নামত পোপে তেওঁক ৰাজমুকুট পিন্ধায়। সেয়ে প্ৰজাসকলে তেওঁক মানি চলিব লাগে। ভগৱানৰ ওচৰতহে ৰজা দায়বদ্ধ, প্ৰজাৰ ওচৰত নহয়। এইদৰে ধৰ্মই ৰাষ্ট্ৰক শক্তিশালী কৰি ইটোৱে সিটোক সমৰ্থন দি বৰ্তী থকাৰ প্ৰক্ৰিয়া এটা আৰম্ভ হৈছিল।

অৱশ্যে লুইৰ ৰাজতন্ত্ৰৰ শেষৰ ফালে তেওঁৰ স্বেচ্ছাচাৰী সম্পূৰ্ণ ৰাজতন্ত্ৰৰ ত্ৰুটিবোৰ ওলাই পৰিছিল। ভাৰ্চাইক অধিক গুৰুত্ব দিয়াত আনবোৰ নগৰ অৱহেলিত হৈছিল। দেশৰ চুক কোণৰ বিষয়ে সম্ৰাটৰ চাক্ষুস অভিজ্ঞতা নথকাত প্ৰশাসনীয় সমস্যাৰ উদ্ভৱ হৈছিল, ১৬৮৫ খ্ৰীঃৰ আগলৈকে তেওঁ কেন্দ্ৰীভূত শাসন প্ৰতিষ্ঠাৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছিল। সেইখিনিয়ে ভাল ফলেই দেখুৱাইছিল। পিছলৈ তেওঁৰ বয়স

Scanned with CamScanner

বৃদ্ধিৰ লগে লগে দ্বিতীয় পৰ্যায়ৰ আমোলা বা পৰিষদৰ হাতত দায়িত্ব এৰি দিব লগা
হোৱাত অসুবিধাবোৰ মূৰ দাঙি উঠিছিল। প্ৰাদেশিক কাম কাজৰ প্ৰতিও কাণসাৰ নিদিয়া
হ'ল। অৱশ্যে ৰজাৰ স্বৈৰতন্ত্ৰী নিৰ্যাতন কম হোৱা নাছিল। সুযোগ্য লোকৰ দিহা পৰামৰ্শ
ল'বলৈও তেওঁ অনিচ্ছুক, তেওঁৰ ইচ্ছা নহ'লে বা তেওঁৰ ধ্যান ধাৰণাই ঢুকি নাপালে
কোনো কাম নোহোৱা হ'ল।

● **সাহিত্য-সংস্কৃতিৰ পৃষ্ঠপোষকতা (Patron of Art and Literature)**ঃ
নিজে বিশেষভাৱে শিক্ষিত নহ'লেও চতুৰ্দ্দশ লুই সাহিত্য, বুৰঞ্জী, শিল্প-ভাস্কৰ্য,
স্থাপত্য, চিত্ৰকলা আৰু সঙ্গীতৰ পৃষ্ঠপোষক আছিল। তেওঁৰ সহায় সহযোগৰ বাবে
ফৰাছী সাহিত্য-সংস্কৃতিৰ উন্নতিৰ চৰম শিখৰত উপনীত হৈছিল। সোণালী যুগৰ সৃষ্টি
হৈছিল। তেওঁৰ দিনত ফৰাছী সাহিত্য সংস্কৃতি ইবিলাকৰ আদৰ্শ হৈ পৰিছিল। বিখ্যাত
ফৰাছী স্থপতিবিদ মনচাৰ্টে (J. H. Mansart) ভাচাই ৰাজপ্ৰসাদৰ প্ৰধান অংশকে ধৰি
কেইবাটাও ভৱন নিৰ্মাণ কৰিছিল। **গিৰাৰদন** (Girardon) আছিল চৰকাৰী ভাস্কৰ
আৰু ব্ৰুন (Le Brun) চৰকাৰী চিত্ৰকৰ আছিল। **লালী** (Lully) আছিল ৰজাৰ
সঙ্গীতজ্ঞ। বস্তুন প্ৰকৰণো লুইৰ দিনত এক কলা হিচাপে গঢ়ি উঠে।
চতুৰ্দ্দশ লুইৰ ৰাজত্বকাল ফৰাছী সাহিত্যৰ স্বৰ্ণ যুগ। **কৰ্ণিল** (Corneille) আছিল
ফৰাছী নাট্যমঞ্চৰ পিতৃস্বৰূপ, *মলিয়েৰ* (Moliere) আছিল শ্ৰেষ্ঠতম ফৰাছী নাট্যকাৰ
সকলৰ এজন। তেনেদৰে **মাদাম দ্য চেভিগনে** (Madame de Savigne), লা
**ফাল্টেইন** আদিয়ে ভিন্ন ৰুচিৰ ফৰাছী সাহিত্য সৃষ্টি কৰিছিল। ধৰ্মীয় নেতা বছয়েট
আছিল ইতিহাসবিদ আৰু দাৰ্শনিক। ফৰাছী সাহিত্য সংস্কৃতিৰ বিকাশে কেৱল সম্ৰাট
লুইৰে যশস্যা বঢ়াইছিল এনে নহয়, সমগ্ৰ বিশ্বতে ফ্ৰান্সক মহিমামণ্ডিত কৰি তুলিছিল।
ফৰাছী ৰাজনৈতিক দৰ্শন, সাহিত্য, আচাৰ-ব্যৱহাৰ, পোচাক পৰিচ্ছদ, শিল্পকলা
ইউৰোপীয় সভ্য সমাজৰ আৰ্হি আৰু সম্পদৰূপে গ্ৰহণীয় আছিল।

● **কলবাৰ্টৰ অৰ্থনৈতিক সংস্কাৰ** (Economic Reforms of Colbert)ঃ
চতুৰ্দ্দশ লুইয়ে সুযোগ্য অৰ্থমন্ত্ৰী কলবাৰ্টৰ সহায় অবিহনে ৰাজকাৰ্য সুচাৰুৰূপে
পৰিচালনা কৰিব নোৱাৰিলেহেঁতেন। সদাগৰৰ সন্তান কলবাৰ্ট মধ্যবিত্ত শ্ৰেণীৰ লোক
আছিল আৰু সেই শ্ৰেণীৰ স্বাৰ্থত তেওঁ কাম কৰিছিল। তেওঁ মেজাৰিণৰ চুপাৰিচ মতে
নিযুক্তি পাইছিল আৰু কাৰ্ডিনেলৰ মৃত্যুৰ পিছত কৃষি, বাণিজ্য, বিত্ত, গড়কাপ্তানী,
নৌবিদ্যা আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব গ্ৰহণ কৰিব লগা হৈছিল, ইমান দায়িত্ব
দিলেও সম্ৰাটে কলবাৰ্টক কিন্তু প্ৰধানমন্ত্ৰী পতা নাছিল। হয়তো সম্ৰাটে তেওঁৰ প্ৰধান
মন্ত্ৰী নিযুক্তিয়ে নিজৰ ক্ষমতা হ্ৰাস কৰিব পাৰে বুলি ভাবিছিল।

ৰিছেলিও আৰু মেজাৰিণৰ দিনত বিভিন্ন আঁচনিৰ পৰিপ্ৰেক্ষিতত দেশৰ ব্যয়
অধিক হয়। ইফালে বৰ্দ্ধিত কৰৰ বোজা বহন কৰিব লগা হ'ল নিম্নবৰ্গৰ জনসাধাৰণে।



কিয়নো অভিজাতসকলে কৰ পৰিশোধ নকৰাকৈ চলে। তদুপৰি কোনো ব্যক্তিক কৰ সংগ্ৰহ কৰিবলৈ দিলে তেওঁ যিমান পাৰি সিমান ৰায়তৰ পৰা সংগ্ৰহ কৰি চৰকাৰক দিব লগাখিনি জমা দি সিংহভাগ নিজৰ হাতত ৰাখে। ইয়াৰ ফলত জনসাধাৰণ জুৰুলা হৈছিল। এনে বিত্তীয় সমস্যাৰ সমাধানাৰ্থে কলবাৰ্টে কেইবাটাও সংস্কাৰ ব্যৱস্থা হাতত লৈছিল। তেওঁ প্ৰত্যক্ষ কৰৰ সলনি পৰোক্ষ কৰ লগায় আৰু অভিজাত শ্ৰেণীৰ কৰ ৰেহাইৰ পৰিমাণ কমাই আয় বৃদ্ধি কৰিছিল। তদুপৰি কৃষকৰ কৰৰ বোজা লাঘৱ কৰিবৰ বাবে কৃষিৰ উন্নতি কান্ধ ব্যৱস্থা গ্ৰহণ কৰিছিল। পশুধনৰ উন্নতিৰ বাবেও কলবাৰ্টে পদক্ষেপ গ্ৰহণ কৰিছিল। ভিতৰুৱা ৰাস্তা-ঘাটৰ উন্নতি সাধি ব্যৱসায় বাণিজ্য আৰু যাতায়াত সুচল কৰিছিল। ভূমধ্য সাগৰ, গেৰণীলৈ আৰু আটলাণ্টিকক সংযোগ কৰা লেংগুৱেদক খালৰ নিৰ্মাণ তেওঁ আৰম্ভ কৰে। কৃষিজাত দ্ৰব্যৰ ওপৰত বহুৱা সীমাশুল্ক একেৰাগী (Uniform) কৰা হয়।

চতুৰ্দ্দশ লুইৰ দিনৰ ঔদ্যোগিক বিকাশো আছিল চমকপ্ৰদ। নতুন নতুন উদ্যোগ গঢ়ি উঠিছিল। ফৰাছী শ্ৰমিকক দেশ এৰি যাবলৈ নিদি, বিদেশী কৌশলী শ্ৰমিক আমদানী কৰি, বিনিয়োগকাৰীক উদগনি দি, বিদেশী আমদানীৰ ওপৰত শুল্ক বঢ়াই, দেশীয় চালুকীয়া তথা দুৰ্বল উদ্যোগক ৰক্ষণাবেক্ষণ দি কলবাৰ্টে এই উদ্যোগিক বিকাশ সম্ভৱ কৰি তুলিছিল। উদাৰভাৱে ফৰাছী জাহাজ ব্যৱসায়ীক তেওঁ ৰাজসাহায্য প্ৰদান কৰিছিল। বিদেশী জাহাজক ফৰাছী বন্দৰ ব্যৱহাৰৰ বাবে অধিক শুল্ক দিবলৈ বাধ্য কৰিছিল। তদুপৰি তেওঁ মূল্যবান ধাতুৰ ৰপ্তানীত বাধা আৰোপ কৰিছিল। তৈয়াৰী সামগ্ৰীবোৰৰ গুণাগুণ, পৰিমাণ আৰু বিক্ৰীৰ ওপৰত তেওঁ দৃষ্টি ৰাখিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে কলবাৰ্ট **সদাগৰীবাদৰ** (Mercantilism) প্ৰৱক্তা আছিল (*দ্ৰষ্টব্য ঃ সদাগৰীবাদ বিষয়ক অধ্যায়*)।

উদ্যোগ আৰু বাণিজ্যৰ বিকাশে তেওঁৰ নৌবাহিনীৰ শক্তি বৃদ্ধি জৰুৰী কৰি তুলিছিল। সেয়ে তোলন বন্দৰ নতুনকৈ নিৰ্মাণ কৰা হৈছিল। কেইবাঠাইতো নতুনকৈ পোতাশ্ৰয় নিৰ্মাণ কৰা হৈছিল। ইংলণ্ড, স্পেইন আৰু হলেণ্ডৰ সমকক্ষ হিচাপে ফৰাছী নৌবাহিনী গঠন কৰা হৈছিল। এই বিলাক প্ৰস্তুতিৰ অন্তত উপনিবেশ প্ৰতিষ্ঠা অৱধাৰিত হৈ পৰিছিল, উপনিবেশবোৰত ফ্ৰান্সৰ একচেতীয়া ব্যবসায়ৰ সুবিধা হৈছিল, কলবাৰ্টে উপনিবেশৰ দায়িত্বত থকা মন্ত্ৰী হিচাপে ৱেষ্ট ইণ্ডিজত মাৰ্টিনিক আৰু গুৱাছেল'প কিনি লয়। চেনডমিনাগ, কানাডা আৰু লুইছিয়ানাত ফৰাছী বসতি আৰম্ভ হয়। ভাৰত, চেনেগাল আৰু মাদাগাস্কাৰত বাণিজ্য কোঠি স্থাপন কৰি কলবাৰ্টৰ দিনত ফ্ৰান্স আনবোৰ ঔপনিবেশিক ইউৰোপীয় দেশৰ প্ৰতিদ্বন্দ্বী হিচাপে থিয় হয়।

মূলতঃ অৰ্থনীতিবিদ কলবাৰ্টে ফ্ৰান্সৰ শৈক্ষিক বিকাশতো বৰঙণি আগবঢ়ায়। তেওঁ ৰিছেলিওৱে স্থাপন কৰা ফ্ৰেন্স একাডেমীক অধিক উন্নত কৰে আৰু এখন বিজ্ঞান একাডেমী স্থাপন কৰে। পেৰিচত এটা তৰাঘৰ বা নিৰীক্ষণ কেন্দ্ৰ (Obser-

Scanned with CamScanner

vatory) প্ৰতিষ্ঠা কৰে। তদুপৰি কলবাৰ্টে সাহিত্যিক পেঞ্চনৰ ব্যৱস্থা কৰি, বিদেশী শিল্পী আৰু বৈজ্ঞানিকক ফ্ৰান্সত সংস্থাপন কৰি সাহিত্য-বিজ্ঞানৰ উন্নতি সাধিছিল।

**● সামৰিক সংস্কাৰ (Military Reform) ঃ**

বলিষ্ঠ বৈদেশিক সম্পৰ্ক নিৰ্ভৰশীল ঘাইকে সামৰিক শক্তিৰ ওপৰত চতুৰ্দ্দশ লুই নিজে সামৰিক দিশত অনভিজ্ঞ যদিও তেওঁ উপযুক্ত লোকক সামৰিক মন্ত্ৰী আৰু সেনাপতি হিচাপে নিযুক্ত দিছিল। *লোভয* (Louvois) তেনে এজন বিচক্ষণ সামৰিক নেতা আছিল। লুভয়ে বচা বচা লোকক নিযুক্তি দি, নিয়মীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰি, কঠোৰ শৃংখলা আৰু নিয়মনীতিৰ মাজেৰে এটি সুনিপুন সৈন্যবাহিনী গঢ়ি তুলিছিল। কেৱল সামাজিক মৰ্যাদাৰ ওপৰত গুৰুত্ব নিদি উপযুক্ততাকো পদোন্নতিৰ বাবে তেওঁ বিবেচনা কৰিছিল। কণ্ড (Conde) আৰু *টুৰিণ* আছিল তেওঁৰ বিখ্যাত সেনাপতি। তেওঁলোকে ত্ৰিছ বছৰীয়া যুদ্ধত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। সামৰিক অভিযান্ত্ৰীক বিভাগত **ভ'বান** (Vouban) আছিল বিখ্যাত অভিযন্তা। তেওঁ প্ৰতিৰক্ষা, যুদ্ধ আৰু গড় নিৰ্মাণ বিদ্যাত সিদ্ধহস্ত আছিল।

**● চতুৰ্দ্দশ লুইৰ ধৰ্মীয় নীতি ঃ**

চতুৰ্দ্দশ লুইৰ ধৰ্মীয় নীতি তেওঁৰ আভ্যন্তৰীণ নীতি আৰু ব্যক্তিত্বৰ দ্বাৰা প্ৰভাবান্বিত। নিজকে ভগবান প্ৰেৰিত মৰ্ত্যত সৰ্বশক্তিমান অধীশ্বৰ বুলি ভবা সম্ৰাটে পোপ তথা যাজক সম্প্ৰদায়ৰ কৰ্তৃত্ব নমনা হৈছিল। কেথলিকধৰ্মী হ'লেও তেওঁৰ স্বৈৰতন্ত্ৰ আৰু দম্ভৰ প্ৰভাৱ ধৰ্মনীতিতো পৰিছিল। পোপৰ সলনি তেওঁৰ মতেহে খ্ৰীষ্টানসকল চলাতো বিচাৰিছিল। ১৬৮৩ খ্ৰীঃত বছয়েটৰ সহায়ত তেওঁ ফৰাছী বিছপ সকলক ঘোষণা কৰিবলৈ বাধ্য কৰিছিল যে— (১) ৰজাৰ পাৰ্থিব (temporal) সাৰ্বভৌম ক্ষমতা বিভাজিত নহয়— সম্পূৰ্ণ আৰু পোপৰ পৰা বিচ্ছিন্ন, (২) গেলিকান গীৰ্জাৰ 'প্ৰাচীন স্বত্ব বা স্বাধীনতা পবিত্ৰ বুলিও গণ্য কৰা হ'ল। (৩) ৰজাৰ সাধাৰণ পৰিষদ পোপৰ উৰ্দ্ধত আৰু (৪) গীৰ্জাত পোপ আৰু বিছপৰ যুটীয়া কৰ্তৃত্ব থাকিব। 'গেলিকান গীৰ্জাৰ স্বাধীনতা ঘোষণা' (*গেলিকানৰ অৰ্থ, গল বা ফৰাচী দেশীয়*) নামে খ্যাত এই ঘোষণাৰ পিছত স্বাভাৱিকতে লুই আৰু পোপৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। ১৬৯৩খ্ৰীঃত আনুষ্ঠানিকভাৱে ঘোষণাটো উঠাই ল'লে যদিও সম্পূৰ্ণ ৰাজতন্ত্ৰত বিশ্বাসী লুইয়ে পাকে প্ৰকাৰে ঘোষণা মতেই চলিবলৈ বিচাৰিছিল।

চতুৰ্দ্দশ লুইৰ সম্পৰ্ক হুগনো সকলৰ লগতো বেয়া হৈছিল। কিয়নো তেওঁৰ পত্নী **মাদাম দ্য মেইন্টেনঁ** (Madame de Maintenon) উগ্ৰ কেথলিক আছিল আৰু তেওঁ সম্ৰাটক হুগনো দমনৰ বাবে প্ৰৰোচিত কৰিছিল। ধৰ্ম ক্ষেত্ৰত লুই গোড়া নহ'লেও তেওঁও ফ্ৰান্সৰ ঐক্যৰ কাৰণে কেৱল এটা ধৰ্মহে প্ৰবৰ্তিত হোৱাটো বিচাৰিছিল। ৰজাৰ এই নীতিৰ স্বাভাৱিক পৰিণতি হ'ল হুগনো সকলৰ দমন। কঠোৰ



হাতেৰে তেওঁলোকক দমন কৰি সংখ্যাগৰিষ্ঠ ফৰাছী আৰু ৰজাৰ ধৰ্ম— কেথলিক ধৰ্ম ল'বলৈ হুগনোসকলক বাধ্য কৰিবলৈ চেষ্টা চলাইছিল। চতুৰ্থ হেনৰীৰ নান্‌টিছৰ ঘোষণা ৰদ কৰি হুগনোসকলক এই ব্যৱস্থাই দিয়া সুবিধাবোৰৰ পৰা লুইয়ে বঞ্চিত কৰে। তেওঁলোকে ধৰ্ম প্ৰচাৰ কৰিব নোৱাৰা হ'ল আৰু প্ৰচেষ্টাণ্ট গীৰ্জাবোৰো ভাঙি দিয়া হৈছিল। হুগনোৰ লগতে জেনচেনিষ্ট (Jensenist– *এই সকল পিউৰিটান কেথলিক আৰু নেদাৰলেণ্ডৰ উগ্ৰ কেথলিক কৰ্ণেলিয়াত জেনচেন (১৫৮৩-১৬৩৮)ৰ অনুগামী* ) সকলকো লুইয়ে উৎপীড়ন কৰিছিল। লুইৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ হুগনো সকলে দেশ এৰিবলৈ বাধ্য হৈছিল। ইয়াৰ ফলত অৰ্থনৈতিক ভাবে ফ্ৰান্স ক্ষতিগ্ৰস্ত হৈছিল, যিহেতু প্ৰচেষ্টাণ্টসকল ফ্ৰান্সৰ প্ৰতিকূল পৰিৱেশত থাকিব লগা হোৱা বাবে যথেষ্ট পৰিশ্ৰমী আৰু ব্যৱসায় বাণিজ্যত আগবঢ়া আছিল। সাহসী সৈনিক হিচাপেও তেওঁলোকে ফ্ৰান্সক সহায় কৰি আহিছিল। তদুপৰি হুগনো সকলৰ এক আন্তৰ্জাতিক ভূমিকাও আছিল। এওঁলোকৰ সমৰ্থনত ইউৰোপৰ অন্যান্য দেশৰ প্ৰটেষ্টাণ্টসকল সংঘবদ্ধ হৈ গ্ৰেণ্ড এলায়েন্স (Grand Alliance) গঠন কৰিছিল। তেওঁলোকৰ ওপৰত কৰা উৎপীড়নে ইউৰোপৰ আনসকল প্ৰটেষ্টাণ্টক বিতুষ্ট কৰিছিল। এইদৰে লুইৰ ধৰ্মনীতিয়ে জটিলতাৰ সৃষ্টি কৰিছিল আৰু ফ্ৰান্সৰ বৈদেশিক পৰিক্ৰমাত ইয়াৰ প্ৰভাৱ পৰিছিল।

**● চতুৰ্দ্দশ লুইৰ বৈদেশিক পৰিক্ৰমা ঃ**

অতি উচ্চাকাংখী লুইয়ে ইউৰোপত তেওঁৰ আধিপত্য প্ৰতিষ্ঠা কৰিবলৈ গৈ যি সাম্ৰাজ্যবাদী আৰু উপনিবেশিক নীতি গ্ৰহণ কৰিছিল। তাৰ ফলত ইউৰোপীয় দেশবিলাকৰ মাজৰ সম্পৰ্ক তিক্ততৰ হৈছিল আৰু তেওঁলোকৰ মাজত আন্তৰ্জাতিক যুদ্ধ অৱশ্যম্ভাৱী হৈ পৰিছিল। অৱশ্যে লুই ইয়াৰ বাবে প্ৰস্তুত হৈছিল। নিজৰ কূটনৈতিক কৌশল, কলবাৰ্টে ৰাহি কৰা পুঁজি আৰু লুভয়ে সুসংগঠিত কৰি দিয়া সৈন্য বাহিনীয়েই আছিল লুইৰ যুদ্ধ প্ৰস্তুতিৰ ভেটি। তেওঁৰ যশস্যা আৰু ক্ষমতা বৃদ্ধিৰ বাটত হেঙাৰ আছিল হেপচ্‌বাৰ্গসকল। ইতিমধ্যে ৱেষ্টফেলিয়া আৰু পীৰেনীজৰ সন্ধিয়ে স্পেইন বা অষ্ট্ৰিয়াৰ হেপচ্‌বাৰ্গসকলক দুৰ্বল কৰি ফ্ৰান্সক শক্তিশালী কৰিছিল যদিও লুইয়ে তেওঁলোকক অধিক দুৰ্বল কৰি নিজৰ প্ৰতিপত্তি সুদৃঢ় কৰিবলৈ বিচাৰিছিল। ১৬৬১ খ্ৰীঃত লুইয়ে শাসনক্ষমতা নিজৰ হাতলৈ অনাৰ সময়ত স্পেনিচ হেপচ্‌বাৰ্গ সাম্ৰাজ্যই ফ্ৰান্সৰ প্ৰায় চাৰিওফালে ঘেৰি আছিল। তেওঁ স্পেইন আক্ৰমণৰ সপক্ষে যুক্তি দেখুৱাইছিল যে দেশবিলাকৰ প্ৰাকৃতিক সীমা (Natural Boundaries) হ'ব লাগে। অৰ্থাৎ নৈ, হ্ৰদ, পৰ্বত আদিয়ে দেশৰ সীমাবোৰ নিৰ্ধাৰণ কৰিব লাগে। প্ৰাচীন ফ্ৰান্সৰ (Gaul) সীমাত আছিল পীৰেনীজ আৰু অল্পচ্ পৰ্বত, ৰাইন নদী আৰু সাগৰ। গতিকে এই সীমাৰ ভিতৰলৈ সোমাব খোজা বিদেশী শাসকক অবৈধ অনুপ্ৰবেশকাৰী বুলি গণ্য কৰিব



Scanned with CamScanner

লাগে। লুইয়ে তিনিখন যুদ্ধৰ মাধ্যমেৰে 'অবৈধ' শাসকক উৎখাত কৰিবলৈ বিচাৰিছিল, কেথলিক ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰো এই যুদ্ধলানিৰ লক্ষ্য আছিল।

● **ডিভলিড চ ন যুদ্ধ** (War of Devolution,1667-68) ঃ

স্পেনিচ নেদাৰলেণ্ড বা বেলজিয়াম দখল কৰাই আছিল এই যুদ্ধৰ লক্ষ্য। ডিভলিউচন বা উত্তৰাধিকাৰী সূত্ৰৰ ভুল প্ৰয়োগ কৰি, ইয়াৰ চেলু লৈ লুইয়ে স্পেইনৰাজ চতুৰ্থ ফিলিপৰ জেষ্ঠ্যা কন্যা **মেৰীয়া থেৰেছা** (Maria Theresa)ক বিয়া কৰাইছিল। ১৬৬৫ খ্ৰীঃত চতুৰ্থ ফিলিপৰ দ্বিতীয়গৰাকী পত্নীৰ ফালৰ পুত্ৰ দ্বিতীয় ফিলিপ স্পেইনৰ ৰজা হয়। স্পেনিচ নেদাৰলেণ্ডৰ উত্তৰাধিকাৰী আইন বা ডিভলিউচন বিধিমতে প্ৰথম গৰাকীৰ সন্তান সন্ততি উত্তৰাধিকাৰী হ'ব লাগে। সেয়ে লুইয়ে তেওঁৰ পত্নী মেৰীয়া থেৰেছাৰ হৈ স্পেনিচ নেদাৰলেণ্ড দাবী কৰে। কূটনৈতিক বিচক্ষণতাৰে তেওঁ হলেণ্ড, চুইডেন আৰু প্ৰটেষ্টাণ্ট জাৰ্মানীৰ সমৰ্থনো আদায় কৰে। সেই সময়ত ইংলণ্ড ডাচসকলৰ লগত বাণিজ্যিক যুদ্ধত ব্যস্ত থকা বাবে ইংলণ্ডৰ পৰা কোনো অসুবিধা নহয় বুলি লুইয়ে ধৰি লৈছিল। দুবছৰ ধৰি চলা ডিভলিউচন যুদ্ধত ইতিমধ্যে দুৰ্বল হৈ পৰা স্পেইন পৰাস্ত হোৱাৰ পথত তেনেতে আন্তৰ্জাতিক ক্ষেত্ৰত কিছু পৰিবৰ্তন আহিল। ইংলণ্ড আৰু হলেণ্ডৰ মাজৰ বাণিজ্যিক যুদ্ধৰ অৱসান ঘটিল। এই দুয়োদেশে পৰস্পৰ শত্ৰুতা পাহৰি চুইডেনেৰে মিত্ৰতা কৰি **ট্ৰিপ'ল এলায়েন্স** (Tripple Alliance) গঠন কৰে আৰু ফ্ৰান্সৰ আগ্ৰাসনক বাধা দিয়ে। প্ৰকৃততে শক্তি ভাৰসাম্য **নীতি** (Balance of Power) ৰক্ষাৰ্থে অৰ্থাৎ কোনোখন দেশেই যেন অধিক শক্তিশালী হ'ব নোৱাৰে তাৰ ব্যৱস্থা হিচাপে তিনিদেশীয় মিত্ৰতাই ফ্ৰান্সক অধিক শক্তিশালী হোৱাত বাধা দিলে। এনে পৰিস্থিতিত লুইয়ে সন্ধিৰ প্ৰস্তাৱ দিবলৈ বাধ্য হয় আৰু **এই-লা-চেপোলৰ** সন্ধি (Treaty of Aix-La-Chapelle, 1668) স্বাক্ষৰিত হয়। সন্ধিমতে (১) ফ্ৰান্সে চাৰ্লেৰয়, টুৰ্নাই, লীলে আদি দুৰ্গ নিজৰ হাতত ৰাখি যুদ্ধত ইতিমধ্যে লাভ কৰা আনবোৰ ঠাই স্পেইনক ঘূৰাই দিব লগা হয়।

● **হলেণ্ডৰ সৈতে যুদ্ধ** (১৬৭২-৭৮) ঃ

ডিভলিউচন যুদ্ধত হলেণ্ডে নিৰ্লিপ্ত হৈ থকাৰ কথা আছিল যদিও কথা ৰাখিব নোৱাৰিলে, সেয়ে লুই বিতুষ্ট হ'ল। তেওঁ বুজি পালে যে ডাচসকলে তেওঁলোকৰ দেশৰ সীমাত থকা ফ্ৰান্স শক্তিশালী হোৱাটো নিবিচাৰে। তদুপৰি ফ্ৰান্সৰ বেলজিয়াম দখল হলেণ্ডে সহ্য কৰিব নোৱাৰে। কাৰণ ই ইয়াৰ গাৰ অংশৰ দৰে। ডাচসকল ফ্ৰান্সৰ বাণিজ্যিক প্ৰতিদ্বন্দ্বিও। এওঁলোকৰ বাণিজ্য ধ্বংস কৰাই কলবাৰ্ট বা লুইৰ লক্ষ্য হিচাপে নিৰ্দ্ধাৰিত হৈছিল। ইয়াৰ উপৰি ধৰ্মীয় কাৰণতো প্ৰটেষ্টাণ্ট হলেণ্ডক তেওঁ আক্ৰমণ কৰিব বিচাৰিছিল।

সচৰাচৰ কৰাৰ দৰে লুইয়ে হলেণ্ডক যুদ্ধৰ আগতেই দুৰ্বল কৰাৰ উদ্দেশ্যে তিনি



শক্তিৰ মিত্ৰতাক ধ্বংস কৰিবলৈ কূটনৈতিক কৌশল প্ৰয়োগ কৰিলে। দোভাৰ চুক্তি (Treaty of Dover, 1670) কৰি তেওঁ ইংলণ্ডৰ কেথলিক ৰজা তথা তেওঁৰ সম্পৰ্কীয় দ্বিতীয় চাৰ্লছৰ লগত হাত মিলায়। ফ্ৰান্সৰ আৰ্থিক সাহায্য লৈ চাৰ্লছে ত্ৰিপক্ষীয় মিত্ৰতাৰ পৰা আঁতৰি আহিল। ধনৰ বলেৰে লুইয়ে চুইডেনকো হাত কৰিলে। এইদৰে হলেণ্ডক অকলশৰীয়া কৰা হ'ল। ইফালে ৰাজতান্ত্ৰিক আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ মাজত চলা গৃহযুদ্ধতো হলেণ্ড জুৰুলা হৈছিল। এই পৰিস্থিতিৰ সুবিধা লৈ ১৬৭২ খ্ৰীঃত লুইয়ে হলেণ্ড আক্ৰমণ কৰিলে। বাটতে পোৱা লৰেইন দখল কৰিলে। কাৰণ ইয়াৰ ডিউকে হলেণ্ডৰ লগত সুসম্পৰ্ক কৰিছিল। হলেণ্ডৰ প্ৰতিৰোধ আঁতৰাই ফৰাচী সম্ৰাটে ইয়াৰ ৰাজধানী আমষ্টাৰডামৰ ফালে আগবাঢ়িল। হলেণ্ডৰ বিপৰ্যয়ৰ বাবে জগৰীয়া কৰি ইয়াৰ গণতন্ত্ৰবাদী নেতা **জন দা উইটক** উগ্ৰ দেশপ্ৰেমীৰ এটা দলে হত্যা কৰে। উইটৰ পিছত সেনাধ্যক্ষৰ দায়িত্বলৈ অৰেঞ্জ বংশীয় **তৃতীয় উইলিয়ামে** শত্ৰুপক্ষক শলঠেকত পেলাবলৈ সাগৰৰ বান্ধ খুলি দিয়ে। ফলত উত্তৰ হলেণ্ডৰ বৃহৎ অংশ বানপানীৰ কবলত পৰে। এইদৰে কৃত্ৰিম বানপানীৰ সৃষ্টি কৰি ডাচসকলে ফৰাচী সৈন্যক শলঠেকত পেলায়। ডাচসকলে এই কৌশল প্ৰয়োগ কৰি আগতে স্পেনিচ সৈন্যক খেদাবলৈ সক্ষম হৈছিল।

ডাচসকলে ইফালে ফ্ৰান্সৰ সৈতে সন্ধিৰ প্ৰস্তাৱো আগবঢ়ালে। কিন্তু তালৈ ভ্ৰূক্ষেপ নকৰাত ইউৰোপীয় শক্তিবোৰ সতৰ্ক হৈ পৰিছিল। তেওঁলোকে ফৰাচী সম্ৰাটৰ সাম্ৰাজ্যবাদী অভিপ্ৰায় বুজি পাইছিল। হলেণ্ড আক্ৰমণতে ফ্ৰান্সৰ আকাংক্ষা সীমাবদ্ধ হৈ নাথাকিব বুলি জানিছিল। সেয়ে পবিত্ৰ ৰোমান সাম্ৰাজ্যৰ সম্ৰাট আৰু অষ্ট্ৰিয়াৰ হেপছ্‌বাৰ্গ বংশৰ মুৰব্বী লিউপল্ড আৰু ব্ৰণ্ডেনবাৰ্গৰ সামন্ত ৰজাই (Elector) হলেণ্ডৰ লগত সামৰিক মিত্ৰতা স্থাপন কৰে। পিছত স্পেইন আৰু জাৰ্মান ৰাজ্যবিলাকেও তেওঁলোকৰ লগ লাগে।

ইতিমধ্যে ইংলেণ্ডৰ সংসদে তেওঁলোকৰ ৰজা দ্বিতীয় চাৰ্লছক ফ্ৰান্সৰ পৰিবৰ্তে হলেণ্ডৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ বাধ্য কৰাত লুইয়ে ততাতৈয়াকৈ সন্ধিৰ প্ৰস্তাৱ আগবঢ়ায়। ১৬৭৯ত **নিমৱাজেন সন্ধি** (Treaty of Nimwagen,1679) স্বাক্ষৰ কৰি লুইয়ে আলচেচ, ফৰাচী কমটে আৰু নেদাৰলেণ্ডৰ কিছুমান শক্তিশালী দুৰ্গ নিগাজী কৰি ললে। এইদৰে লুইয়ে নিজ সাম্ৰাজ্য বিস্তাৰ কৰে কিন্তু হলেণ্ড জয়ৰ আশা ত্যাগ কৰিব লগা হয়। ডাচ যুদ্ধই লুইক সকিয়াই দিলে যে তেওঁৰ আধিপত্য বিস্তাৰৰ পথ মসৃণ নহয় আৰু তেওঁৰ বিৰোধিতা কৰিবলৈ ইউৰোপৰ আনবোৰ দেশ সংঘবদ্ধ হ'ব। তথাপি এই যুদ্ধৰ পিছত ফ্ৰান্স অধিক সবল হ'ল আৰু চতুৰ্দ্দশ লুইয়েই ইউৰোপৰ সৰ্বশ্ৰেষ্ঠ সম্ৰাটৰূপে পৰিগণিত হ'ল। আনহাতে ফ্ৰান্সৰ ৰাজকোষ উদং হ'ল। ক'লবাৰ্টে কৰৰ হাৰ বৃদ্ধি কৰাৰ উপৰিও ঋণ লৈ পৰিস্থিতিৰ মোকাবিলা কৰিব লগা হ'ল। ফ্ৰান্সৰ সীমামূৰীয়া ৰাজ্যবোৰ ক্ষতিগ্ৰস্ত হ'ল। ফ্ৰান্সে টুৰেণ (Turenne)ৰ দৰে সুদক্ষ

Scanned with CamScanner

সেনা নায়কক এই যুদ্ধতে হেৰুৱাব লগা হ'ল। কণ্ডেও স্বাস্থ্যজনিত কাৰণত দায়িত্বভাৰ এৰিব লগা হ'ল।

● **আগছবাৰ্গ লীগৰ বিৰুদ্ধে যুদ্ধ** (War with Augsburg League, ১৬৮৬-৯৭) ঃ

কিন্তু চতুৰ্দ্দশ লুইয়ে তেওঁৰ উচ্চাকাংক্ষাৰ ফলত হোৱা ক্ষয় ক্ষতিলৈ কাণসাৰ দিয়া নাছিল। ৰাজ্যজয়ৰ আকাংখ্যাই এইবোৰৰ প্ৰতি তেওঁক অন্ধ কৰি ৰাখিছিল। লুইয়ে এইবাৰ পুনৰ মিলন (Reumion Policy) নামে এটা সূত্ৰ উলিয়াই ৱেষ্টফেলিয়া আৰু নিমৱাজেন চুক্তি মৰ্মে পোৱা অঞ্চল বিলাকৰ সংলগ্ন ঠাইবোৰ ফ্ৰান্সৰ লগত চামিল কৰাৰ দাবী তুলিলে। এই উদ্দেশ্যে তেওঁ কিছুমান বিচৰালয় স্থাপন কৰিলে। সেইবোৰক Chambers of Reunion বোলা হৈছিল। ইয়াৰ বিচাৰক সকল লুইৰ সমৰ্থক আছিল। এওঁলোকেই সিদ্ধান্ত দিছিল কোনবোৰ অঞ্চল সামন্তবাদী পৰম্পৰামতে ফ্ৰান্সৰ দখললৈ আহিব লাগে। তেওঁলোকে দিয়া সিদ্ধান্ত মতে পবিত্ৰ ৰোমান সাম্ৰাজ্যৰ লাগজেমবাৰ্গ আৰু ষ্ট্ৰেচবাৰ্গাকে ধৰি কুৰিখন জিলা ফ্ৰান্সৰ ভিতৰুৱা হ'ব লাগে। সিদ্ধান্তমতেই কাম— ঠাইকেইখন লুইয়ে দখল কৰিলে।

সমসাময়িক পৰিস্থিতি আছিল লুইৰ সপক্ষে— ইংলেণ্ড অটোমান তুৰ্কীৰ সৈতে যুদ্ধত আবদ্ধ আছিল। লুইয়ে সহজে তেওঁৰ জয়যাত্ৰা অব্যাহত ৰাখিলে। সংকিত হৈ সম্ৰাট লিওপল্ডে ১৬৮৬ত অষ্ট্ৰিয়া, স্পেইন, চুইডেন হলেণ্ড জাৰ্মানী আৰু ইটালীৰ ৰাজ্যসমূহৰ লগলাগি লুইৰ বিৰুদ্ধে লীগ অৱ আগছবাৰ্গ গঠন কৰে। ইয়াৰ পিছত লীগ আৰু লুইৰ মাজত সুদীৰ্ঘ আঠবছৰ কাল যুদ্ধ হৈছিল। এইখনেই লীগ অব আগছবাৰ্গৰ যুদ্ধ।

আমেৰিকাতো ফৰাচী আৰু ইংৰাজ উপনিবেশৰ মাজত যুদ্ধ চলিছিল। এই যুদ্ধক ৰজা উইলিয়ামৰ যুদ্ধও বোলা হৈছিল।

আগছবাৰ্গ যুদ্ধৰ প্ৰথম দুবছৰত ইংলণ্ড লুইৰ বিৰুদ্ধে যোৱা নাছিল। কিয়নো ইংলণ্ডেশ্বৰ তেতিয়া লুইৰ আৰ্থিক সাহায্যৰ ওপৰত নিৰ্ভৰশীল আছিল আৰু ইয়াৰ বণিক গোষ্ঠী হলেণ্ডৰ পৰাহে অসুবিধাত পৰিছিল ফ্ৰান্সৰ পৰা নহয়। সেয়ে ইউৰোপৰ ৰাজবংশ বিলাকৰ মাজত প্ৰতিদ্বন্দ্বিতামূলক আগছবাৰ্গৰ যুদ্ধত জড়িত হোৱাৰ প্ৰয়োজনীয়তা ইংৰাজসকলে বোধ কৰা নাছিল। গতিকে ইংলেণ্ডৰ ৰজা ২য় জেমছৰ দিনত (১৬৮৫-৮৮) লুইয়ে ইংলণ্ড অন্ততঃ নিৰপেক্ষ হৈ থাকিব বুলি আশা কৰিছিল। কিন্তু বিপদ আহিল যেতিয়া ২য় জেমছৰ স্বেচ্ছাচাৰিতা আৰু ধৰ্মান্ধতাৰ বাবে ইংৰাজ ৰজাই তেওঁৰ বিৰুদ্ধে **গৌৰৱময় বিপ্লৱ** (Glorious Revolution, 1688) আৰম্ভ কৰি তেওঁৰ ঠাইত হলেণ্ডৰ উইলিয়ামক **তৃতীয় উইলিয়াম** নাম দি দ্বিতীয় জেমছৰ কন্যা মেৰীৰ সৈতে ৰাজসিংহাসনত বহুৱায়। মেৰীক উইলিয়ামে ইতিমধ্যে বিয়া কৰাইছিল আৰু গৌৰৱময় বিপ্লৱৰ নেতৃত্ব দিছিল।



ইংলণ্ডৰ এই নতুন ৰজাই অকণো সময় বিলম্ব নকৰি আগছবাৰ্গ সংঘত যোগ দিলে আৰু ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। হলেণ্ডৰ সামন্ত শাসক ইংলণ্ডৰ ৰজা হোৱাত দুয়োখন দেশৰ মাজৰ বাণিজ্যিক বিৰোধিতাৰো অন্ত পৰে। আন্তৰ্জাতিক বাণিজ্যত দুয়োখন দেশ এক হৈ ফৰাছী ঔপনিবেশিক সাম্ৰাজ্যৰ বিৰুদ্ধে যুঁজিবলৈ ল'লে। ইয়াৰ ফলত ফ্ৰান্সে ইউৰোপ মহাদেশ আৰু ইয়াৰ বাহিৰৰ উপনিবেশ এই দুয়ো দিশত যুদ্ধৰ সন্মুখীন হয় ইংলণ্ড আৰু ফ্ৰান্স, ভাৰত আৰু আমেৰিকাত দীঘলীয়া ঔপনিবেশিক যুদ্ধত অৱতীৰ্ণ হ'ল। চতুৰ্দ্দশ লুইয়ে কিন্তু ইউৰোপ মহাদেশীয় ৰাজনীতিহে গুৰুত্ব দি আছিল — ইয়াৰ উপনিবেশ বিলাকলৈ আহিব পৰা ভাবুকি বা উপনিবেশ বিলাকৰ প্ৰতি গুৰুত্ব দিয়া নাছিল।

স্বাভাৱিকতেই লুই এনে পৰিস্থিতিৰ অৰ্থাৎ একে সময়তে ইমানবোৰ শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰি দুৰ্বল হৈ পৰিছিল। তাতে আগছবাৰ্গৰ যুদ্ধ তেওঁৰ তৃতীয় প্ৰধান ৰণ। এই ৰণত তেওঁৰ সুনিপুণ সেনাপতি টুৰেণ আৰু কণ্ড মৰা পৰিছিল। সাগৰীয় যুদ্ধত ফৰাচী সৈনিকৰ ভূমিকাও আছিল দুৰ্বল। সেয়ে লুইয়ে শান্তিচুক্তি কৰিবলৈ বাধ্য হৈছিল। **ৰায়চুইক চুক্তিয়ে** (Treaty of Ryswick, 1968) আগছবাৰ্গ যুদ্ধৰ অন্ত পেলায়। সেই চুক্তি মতে (১) লুইয়ে ষ্ট্ৰেছবাৰ্গৰ বাহিৰে পুনৰ মিলন নীতিৰ যোগে পোৱা সকলো অঞ্চল এৰি দিয়ে। (২) স্পেনিচ নেদাৰলেণ্ডৰ দুৰ্গ ভৱিষ্যত ফৰাচী আক্ৰমণৰ বিৰুদ্ধে শক্তিশালী কৰিবলৈ অনুমতি দিয়া হ'ল। (৩) ডাচসকলে ফৰাচী সম্ৰাটৰ পৰা বাণিজ্যিক সুবিধাও আদায় কৰে। (৪) লৰেইনখন ইয়াৰ শাসকক ঘূৰাই দিয়া হ'ল। (৫) পেলেটাইনেটৰ ওপৰত লুইয়ে দাবী পৰিহাৰ কৰে। (৬) তৃতীয় উইলিয়ামক ইংলণ্ডৰ ৰজা হিচাপে লুইয়ে স্বীকৃতি দিয়ে আৰু উইলিয়ামৰ বিৰুদ্ধে কোনো ব্যৱস্থা তেওঁ সমৰ্থন নকৰাৰ প্ৰতিশ্ৰুতি দিয়ে। (৭) ফৰাচী ৰজাই অৱশ্যে নিজৰ কোনো প্ৰকৃত অঞ্চল এৰিব লগা নহ'ল। (৮) আলছেচৰ ওপৰত তেওঁৰ স্বত্ব নিৰূপিত হ'ল। ফৰাচী আগ্ৰাসনৰ দৰে সাম্ৰাজ্যবাদী আৰু শক্তি ভাৰসাম্য ভঙ্গকৰ্তাৰ বিৰুদ্ধে সমগ্ৰ ইউৰোপ একত্ৰিত হোৱাৰ দৃষ্টান্তও আগছবাৰ্গৰ যুদ্ধই দাঙি ধৰিছিল। ফৰাচী সম্ৰাটৰ উচ্চাকাংক্ষাত ই বাধাৰ সৃষ্টি কৰিছিল। লুইৰ যশস্যা আৰু সন্মান হানি হ'ল।

● **স্পেইনৰ উত্তৰাধিকাৰী যুদ্ধ** (The War of Spanish Succession, 1702-13) ঃ

বৃদ্ধ অৱস্থাতো চতুৰ্দ্দশ লুইৰ উচ্চকাংক্ষা কমা নাছিল । নিজৰ শক্তি আৰু খ্যাতি বৃদ্ধিৰ বাবে তেওঁ স্পেইনৰ উত্তৰাধিকাৰী যুদ্ধত সোমাই পৰিল। স্পেইনৰ ৰজা হেপচবাৰ্গ বংশৰ দ্বিতীয় চাৰ্লছ আছিল ৰুগীয়া আৰু সন্তানহীন চাৰ্লছৰ বায়েক মেৰীয়া থেৰেছাক লুইয়ে বিয়া কৰাইছিল। গতিকে তেওঁৰ **"প্ৰাকৃতিক সীমাৰ নীতি"** আৰু বুৰ্বন বংশক ইউৰোপত সুপ্ৰতিষ্ঠিত আৰু সম্প্ৰসাৰিত কৰাৰ এইটোৱেই সুযোগ বুলি লুইয়ে

Scanned with CamScanner

ভাবিলে। তেওঁৰ প্ৰথমা পত্নী মেৰীৰ হৈ স্পেইনৰ সিংহাসন দাবী কৰিলে। তাতে মেৰীৰ লগত দিব লগা যৌতুক হিচাপেও এই দাবীৰ ন্যায্যতা আছিল বুলি লুইয়ে ভাবিছিল। কিন্তু অষ্ট্ৰিয়াৰ সম্ৰাট লিওপল্ডে চাৰ্লছৰ আন এগৰাকী বায়েক মাৰ্গাৰেট থেৰেছাক বিয়া কৰাইছিল, সেই সূত্ৰে তেওঁ স্পেইনৰ সিংহাসনৰ দাবীদাৰ। আকৌ বেভেৰিয়াৰ শাসক যোচেফ ফাৰ্ডিনেণ্ডে লিওপল্ড আৰু মাৰ্গাৰেটৰ কন্যা মেৰীয়া এণ্টনিয়াক বিয়া কৰাইছিল। গতিকে তেৰোঁস্পেইনৰ সিংহাসন দাবী কৰিলে।

কিন্তু লুইৰ দাবী যিমানেই ন্যায়সঙ্গত নহওক স্পেইনৰ সিংহাসন ফ্ৰান্সৰ হাতলৈ গ'লে শক্তি ভাৰসাম্য ধ্বংস হ'ব। সেয়ে ইউৰোপীয় শক্তি সমূহে ইয়াৰ বিৰোধিতা কৰিলে। লুইয়েও বুজি পাইছিল যে এই বিৰোধিতাৰ কাৰণে স্পেইনে দখল কৰাটো সম্ভৱ নহ'ব। সেয়ে তেওঁ স্পেনিচ সাম্ৰাজ্য তিনিভাগ কৰি তিনিজন দাবীদাৰৰ মাজত ভগাই লোৱাৰ প্ৰস্তাব দিলে। কিন্তু তেনে সময়তে দ্বিতীয় চাৰ্লচৰ মৃত্যু হয় আৰু তেওঁ ইচ্ছাপত্ৰত লুইৰ নাতি অঞ্জুৰ ডিউক ফিলিপক সমগ্ৰ স্পেইনৰ উত্তৰাধিকাৰী পাতি থৈ গ'ল। লুইয়ে ভালেই পালে, নাতিয়েকক পঞ্চম ফিলিপ নাম দি স্পেইনৰ সম্ৰাট ঘোষণা কৰাৰ লগতে পীৰেনীজ পৰ্বতৰ 'প্ৰাকৃতিক সীমাৰেখা' অমান্য কৰি স্পেইন আৰু ফ্ৰান্স এখন দেশ হিচাপে ঘোষণা কৰিলে। ইউৰোপীয় শক্তিসমূহে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিলে। ইংলেণ্ড, অষ্ট্ৰিয়া, হলেণ্ড আৰু জাৰ্মানীৰ ব্ৰাণ্ডেনবাৰ্গ, প্ৰুচিয়া হানোভাৰ আৰু পেলেটাইনেটক লৈ লুইৰ বিৰুদ্ধে **মহামৈত্ৰী সংঘ** (Grand Alliance) গঠন কৰা হ'ল। পিছত পৰ্তুগালেও বাণিজ্যিক আৰু ৰাজনৈতিক স্বাৰ্থত সংঘৰ লগ লাগে। মৈত্ৰীসংঘই দাবী কৰিলে যে সম্ৰাট লিওপল্ডৰ পুত্ৰ আৰ্চডিউক চাৰ্লচহে স্পেইনৰ ৰজা হ'ব লাগে আৰু ফৰাচী সম্ৰাটৰ প্ৰভাব হ্ৰাস হ'ব লাগে। পিছে কোনেও কৰো দাবী মানি নোলোৱাত যুদ্ধ অৱশ্যম্ভাৱী হৈ পৰে। এইদৰে স্পেনিচ উত্তৰাধিকাৰী যুদ্ধ তথা চতুৰ্দশ লুইৰ চতুৰ্থ আৰু শেষ যুদ্ধখন আৰম্ভ হয়। মৈত্ৰীসংঘৰ সেনাধ্যক্ষ হ'ল ইংলণ্ডৰ মাৰ্লবৰোৰ (Marlborough) ডিউক। বাৰবছৰ ধৰি চলা এই যুদ্ধৰ ব্লেনহেইমৰ ৰণ ক্ষেত্ৰত পবিত্ৰ ৰোমান সাম্ৰাজ্যৰ পৰা ফ্ৰান্সক বাহিৰ কৰা হ'ল, জিব্ৰাল্টৰ দখল কৰি ইংলেণ্ড স্পেইন আৰু ভূমধ্য সাগৰত নিজৰ স্থিতি মজবুত কৰে। এইদৰে বিভিন্ন ঠাই হস্তগত কৰি মৈত্ৰীবাহিনী ফৰাচী ভূমিত প্ৰৱেশ কৰে আৰু চূড়ান্ত জয়ৰ পথত আগবাঢ়ে। তেনেতে লুইয়ে ফৰাচীসকলৰ মাজত বিৰল দেশপ্ৰেম জাগ্ৰত কৰিবলৈ সমৰ্থ হয়। সিফালে মৈত্ৰীসংঘৰ মাজতো মনোমালিন্যই দেখা দিয়ে। ইংলণ্ডত মন্ত্ৰীসভাৰ পৰিবৰ্তন হোৱাৰ ফলত মাৰ্লবৰোৱে অৱসৰ ল'ব লগা হয়। অষ্ট্ৰিয়াৰ ৰজাৰ মৃত্যুত **আৰ্চডিউক চাৰ্লচ** ইয়াৰ ৰজা হয়। যুদ্ধৰ প্ৰয়োজনীয়তা হ্ৰাস পালে। ফ্ৰান্সৰ ৰজা-প্ৰজা সকলোৱেই যুদ্ধ কৰি কৰি ভাগৰি পৰিছিল। ফলত **ইউট্ৰেক্টৰ চুক্তি** (Treaty of Utrecht,1713) স্বাক্ষৰিত হ'ল। ইয়াৰ দফা সমূহ— (১) লুইৰ



নাতি তথা অঞ্জুৰ ডিউক ফিলিপক স্পেইনৰ সম্ৰাট পঞ্চম চাৰ্লচ হিচাপে স্বীকৃতি দিয়া হ'ল। কিন্তু স্পেইন আৰু ফ্ৰান্সৰ ৰজা একেজন হ'ব নোৱাৰিব, যিহেতু এনে কৰিলে ফ্ৰান্স শক্তিশালী হ'ব আৰু শক্তি' ভাৰসাম্য ক্ষতিগ্ৰস্ত হ'ব। (২) অষ্টিয়ান হেপচবাৰ্গসকলে স্পেইনৰ সিংহাসনৰ দাবী পৰিহাৰ কৰাৰ ক্ষতিপূৰণ হিচাপে **নেপচলচ, চাৰ্ডিনিয়া** (১৭২০ *চনৰ লণ্ডন চুক্তিমতে অষ্ট্ৰিয়াই চাৰ্ডিনিয়াৰ সলনি চিচিলি লয়*) মিলান আৰু বেলজিয়ামে লাভ কৰিলে। (৩) 'বেপাৰী জাতি' ইংৰাজসকলে বাণিজ্যিক আৰু ঔপনিবেশিক সুবিধা ল'লে; নিউফাউণ্ডলেণ্ড, নভাস্কটিয়া আৰু হাডচন উপসাগৰ ফ্ৰান্সৰ পৰা আৰু মিনৰ্কা আৰু জিব্ৰাল্টৰ স্পেইনৰ পৰা লাভ কৰে। ইয়াৰ উপৰি ইংলণ্ডে আমেৰিকাৰ স্পেনিচ উপনিবেশত বাণিজ্যিক সুবিধা লাভ কৰিলে। (৪) হলেণ্ডে ফ্ৰান্সৰ বিৰুদ্ধে নিজক শক্তিশালী কৰিবলৈ সীমান্তত দুৰ্গ নিৰ্মাণৰ সুবিধা পালে। ডাচসকলে কিছুমান বাণিজ্যিক সুবিধাও লাভ কৰিলে। (৫) ব্ৰাণ্ডেনবাৰ্গৰ ইলেক্টৰক প্ৰুচিয়াৰ ৰজা পতা হ'ল। এইদৰে জাৰ্মানীত হহেনজলাৰ্ণ ৰাজবংশৰ ভাগ্য উদয় হ'ল, ইয়াৰ লগত চিচিলি দ্বীপ চামিল কৰা হ'ল। পিছত চিচিলিৰ পৰিবৰ্তে চেভয়ে চাৰ্দিনিয়া গ্ৰহণ কৰে।

স্পেনিচ উত্তৰাধিকাৰী যুদ্ধত এইদৰে ফ্ৰান্সে প্ৰত্যক্ষভাৱে কোনো সফলতা লাভ কৰিব নোৱাৰিলে। নতুনকৈয়ো কোনো ঠাই নিজৰ কৰিব নোৱাৰিলে, হেৰুৱাব লগা হ'ল কেইখনমান গুৰুত্বপূৰ্ণ উপনিবেশ; ঋণ আৰু কৰৰ বোজা বাঢ়িল, যিহেতু যুদ্ধত ফ্ৰান্সে বহুত ধনজন হেৰুৱাব লগা হৈছিল। নাতিয়েক ফিলিপ স্পেইনৰ সম্ৰাট হ'ল, এই কথাই তেওঁৰ নাম যশ অৱশ্যে বঢ়ালে। কিন্তু স্পেইনৰ ফ্ৰান্সৰ লগত চামিল কৰাৰ অভিপ্ৰায় সিদ্ধি নহ'ল। তথাপি বৈদেশিক পৰিক্ৰমা আৰু ঔপনিবেশিক নীতিৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত শত্ৰুতাৰ ঠাইত বন্ধুত্বই স্থান পালে। লুইৰ বৃহত্তৰ ফৰাছী সাম্ৰাজ্য গঠনৰ শেষ প্ৰচেষ্টা হিচাপে স্পেনিচ উত্তৰাধিকাৰী যুদ্ধও ব্যৰ্থ হৈছিল। সপোন বাস্তৱায়িত নহ'ল। ইউৰোপত ফৰাচী আধিপত্যৰ যাত্ৰা-পথ ৰুদ্ধ হ'ল। চাৰিওফালে বিদেশী শক্তিৰ উত্থানে বৰঞ্চ ফ্ৰান্সৰ প্ৰতি ভাবুকিৰে সৃষ্টি কৰিলে। আনহাতে যুদ্ধখনে ইংলণ্ডৰ বাণিজ্যিক তথা ৰাজনৈতিক আধিপত্যৰ বাট সুগম কৰিলে। ইউট্ৰেক্ট চুক্তিয়ে শক্তি ভাৰসাম্য নীতি কাৰ্যকৰী কৰিলে আৰু এইদৰে আন্তৰ্জাতিকতাবাদৰ বিকাশত অৰিহনা যোগালে। শক্তি ভাৰসাম্য নীতি ইউৰোপীয় দেশ বিলাকৰ মাজত জনপ্ৰিয় হৈ আৰু ই আন্তৰ্জাতিক নীতি হিচাপে স্বীকৃত হ'ল। নিশ্চিতভাৱে ফ্ৰান্সে বিচৰামতে ইয়াৰ লগত স্পেইনক চামিল কৰা হ'লে এই নীতি দুৰ্বল হোৱাৰ লগতে ইউৰোপত অশান্তি বৃদ্ধি হ'লহেঁতেন। ইফালে বাণিজ্য ক্ষেত্ৰত ফ্ৰান্স আৰু ইংলণ্ডৰ প্ৰতিযোগিতা বাঢ়িল। কোৱা হয় *'ইউট্ৰেক্টৰ সন্ধিয়ে বংশগত প্ৰতিযোগিতাৰ ঠাইত জাতীয় ৰাষ্ট্ৰৰ মাজৰ প্ৰতিদ্বন্দ্বিতা বঢ়ালে'*।

Scanned with CamScanner

ইউট্ৰেক্ট সন্ধিৰ দুবছৰৰ পিছত চতুৰ্দ্দশ লুইৰ মৃত্যু হয়। তেওঁৰ মৃত্যুত ফৰাচীসকলে দুখ কৰাৰ পৰিবৰ্তে আনন্দহে কৰিছিল। কিয়নো তেওঁলোকে লুইৰ ৰাজত্বকালত যুদ্ধ-বিগ্ৰহ আৰু কৰ-কাটল বৃদ্ধিৰ ফলত জীয়াতু ভূগিছিল। ৰাজত্বৰ প্ৰথম অৱস্থাত মহান সম্ৰাট হিচাপে জনপ্ৰিয় লুইৰ ইয়েই আছিল শেষ পৰিণতি।